# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 24-12-2025 **Time :** 1100Hrs.

**ASSAMESE 1100 AM NEWS**

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ খেৰণিৰ পৰিস্থিতি আজি পুৰাৰে পৰা নিয়ন্ত্ৰণলৈ আহিছে। অৱশ্যে প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি ৰাখিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে তেওঁ এই পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখি আছে। এই অশান্ত পৰিস্থিতিত কালি দুজন লোকৰ প্ৰাণহানিৰ ঘটনাত মুখ্যমন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰে। তেওঁ লগতে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। উল্লেখযোগ্য যে আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং জিলাখনত বাহৰ পাতি থাকি অহৰহ পৰিস্থিতি নিৰীক্ষণ কৰি আছে। জিলাখনত আজিৰ পৰিস্থিতি সন্দৰ্ভত এয়া পশ্চিম কাৰ্বি আংলঙৰ পৰা আমাৰ সংবাদদাতা টুটু কোঁৱৰ-

বাইট (টুটু)

উল্লেখযোগ্য যে কালি প্ৰতিবাদকাৰীৰ আক্ৰমণত আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং, অতিৰিক্ত আৰক্ষী সঞ্চালকপ্ৰধান অখিলেশ সিঙৰ লগতে কেইবাগৰাকী শীৰ্ষ আৰক্ষী বিষয়া আৰু আৰক্ষী জোৱান আহত হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে প্ৰথমে লাঠি চালনা আৰু পাছত গুলীচালনা কৰিবলগীয়া হয়। ইয়াৰ ফলত চিংথি টিমুং নামৰ এজন লোক আহত হয় আৰু পাছত তেওঁৰ হাস্পতালত মৃত্যু হয়। তদুপৰি প্ৰতিবাদকাৰীয়ে অগ্নি সংযোগ কৰাৰ ফলত এটা ব্যৱসায়িক প্ৰতিষ্ঠানৰ ভিতৰত অগ্নিদগ্ধ হৈ সুৰয দে’ নামৰ যুৱক এজনৰ মৃত্যু হয়। আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিঙে কালি সংবাদ মাধ্যমৰ আগত পৰিস্থিতিৰ বিষয়ে প্ৰকাশ কৰি প্ৰতিবাদকাৰীসকলক ক্ষান্ত হ’বলৈ আহ্বান জনোৱাৰ লগতে কোনো পক্ষকে এই লোকসকলক বিভ্ৰান্ত কৰাৰ চেষ্টা নকৰিবলৈ আহ্বান জনায়।

পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্যৰ প্ৰশাসনে পশ্চিম কাৰ্বি আংলং আৰু কাৰ্বি আংলং দুয়োখন জিলাতে মোবাইল ইণ্টাৰনেট সেৱা কালি আবেলিৰ পৰা অনিৰ্দিষ্ট কাললৈ বন্ধ কৰিছে। চৰকাৰী সূত্ৰই দিশপুৰত প্ৰকাশ কৰা অনুসৰি এই সময়ছোৱাত অৱশ্যে ভইছ্ টেলিফোন সেৱা আৰু ব্ৰডবেণ্ড ইণ্টাৰনেট সেৱা অব্যাহত থাকিব।

০০০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত আজিৰ পৰা ৬ জানুৱাৰীলৈ খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অসম গ্ৰন্থমেলা অনুষ্ঠিত হ’ব। আজি বিয়লি ৩ বজাত হ’বলগীয়া গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে সন্মানীয় অতিথি হিচাপে মুম্বাইৰ প্ৰসিদ্ধ লেখক আমিশ ত্ৰিপাঠী আৰু বিশিষ্ট অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামী উপস্থিত থাকিব। গ্ৰন্থমেলাৰ প্ৰাংগণতে জন্ম শতবৰ্ষত ড০ ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ড০ ভূপেন হাজৰিকাৰ গীতত সমকালীনতা বিষয়ত হ’বলগীয়া অনুষ্ঠানটো বিশিষ্ট লেখক সুমন্ত চলিহাই সঞ্চালনা কৰিব। গ্ৰন্থমেলাৰ আজি প্ৰথম দিনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ শৰ্মাই **যুৱ লেখক সন্মান ২০২৫** লাভ কৰা ৰাজ্যৰ ৪০ বছৰ অনুৰ্দ্ধ ৮১৮ গৰাকী যুৱ লেখক-লেখিকাক সম্বৰ্দ্ধনা জনাব। সৃষ্টিশীল সাহিত্য

চৰ্চাৰ বাবে লেখক-লেখিকাসকলক অনুপ্ৰেৰণা যোগোৱাৰ উদ্দেশ্যে তেওঁলোকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

ইপিনে বিশিষ্ট সাহিত্যিক, ঔপন্যাসিক, গল্পকাৰ ড° দীপক কুমাৰ বৰকাকতিলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা আগবঢ়োৱা হৈছে। ড° কাকতিক **ঐশ্বৰ্য** শীৰ্ষক উপন্যাসৰ বাবে এই বঁটা আগবঢ়োৱা হৈছে। এই বঁটাত আছে নগদ ৫ লাখ টকা, প্ৰশস্তি পত্ৰ, অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলা। একেদৰে বান্ধৱ প্ৰকাশনলৈ ২০২৫ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ প্ৰকাশক বঁটা  আগবঢ়োৱা হৈছে। এই বঁটাত নগদ ৩ লাখ টকা, মানপত্ৰ, অংগবস্ত্ৰ আৰু কিতাপৰ টোপোলা আছে। লগতে অসম প্ৰকাশন পৰিষদে কেইবাগৰাকী লেখকলৈ বিভিন্ন শিতানত বঁটা আগবঢ়াইছে।

০০০০০০০

কামৰূপ জিলাৰ সমাজ কল্যাণ বিভাগৰ উদ্যোগত কালি কামৰূপ জিলা সংহত আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত যৌন আতিশায্য প্ৰতিৰোধী সপ্তাহৰ লগত সংগতি ৰাখি এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা চক্ৰত ৰাষ্ট্ৰীয় আইন বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড০ সুস্মিতা বৰুৱা মুখ্য বক্তা হিচাপে উপস্থিত থাকে। তেওঁ ভাষণত পকছ' আইনৰ বিষয়ে বিশদভাৱে বিশ্লেষণ কৰাৰ লগতে এই আইন কিদৰে ৰূপায়ণ কৰিব পাৰে এই বিষয়ে বৰ্ণনা কৰে। এই আলোচনা চক্ৰত জিলা পৰ্যায়ৰ কেইবাখনো বিষয়ববীয়াই অংশগ্ৰহণ কৰে।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পবিত্ৰ তীৰ্থক্ষেত্ৰ কোচবিহাৰৰ মধুপুৰ সত্ৰত আজিৰ পৰা মধুপুৰ মহোৎসৱ অনুষ্ঠিত হ'ব। আজি দুপৰীয়া ২ বজাত সাহিত্য চৰ্চা কেন্দ্ৰ অসমৰ উদ্যোগত আৰু মধুপুৰ উৎসৱ উদযাপন সমিতিৰ সহযোগত এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰে মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ হ'ব। উল্লেখযোগ্য যে মধুপুৰ সত্ৰত যোৱা ৩০ বছৰ ধৰি এই মহোৎসৱ পালন কৰি অহা হৈছে।

০০০০০০০

সদৌ অসম ছাত্ৰ সন্থাই গোৱালপৰীয়া লোকগীতৰ যশস্বী শিল্পী, পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা, ২০২৫ তিনিচুকীয়া জিলাৰ কাকপথাৰ অঞ্চলৰ বৰমেচাই শিমলুগুৰি নিবাসী লোককৃষ্টিৰ সাধক ৰত্নেশ্বৰ মৰাণক প্ৰদান কৰিব। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কালি প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা প্ৰাপকগৰাকীৰ নাম ঘোষণা কৰে। ২৭ ডিচেম্বৰত লোকগীতৰ বৰেণ্য শিল্পীগৰাকীৰ মৃত্যুৰ দিনটোত গুৱাহাটীৰ চানমাৰিৰ ছহিদ উদ্যানত দিনৰ ১১ বজাত লোককৃষ্টিৰ সাধকগৰাকীক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব।

০০০০০০০

**সমাপ্ত**